**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-09 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, কোৱাড ৰাষ্ট্ৰগোষ্ঠী স্বতন্ত্ৰ, মুক্ত আৰু সমৃদ্ধিশালী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

২। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ৰাষ্ট্ৰসমূহৰ বাবে ৪০ নিযুত পালি প্ৰতিষেধক আগবঢ়াব।

৩। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযূষ গোৱেলে কৈছে যে, প্ৰায় ৭ শতাংশ আনুমানিক বিকাশৰ হাৰেৰে ২০২৭ চনৰ ভিতৰত ভাৰত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিত পৰিণত হোৱাৰ দিশে অগ্ৰসৰ হৈছে।

৪। জম্মু-কাশ্মীৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অহা ২৫ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব। **আৰু**

৫। ভাৰত আৰু বাংলাদেশৰ মাজত চলি থকা প্ৰথমখন টেষ্ট শৃংখলাৰ আজি চতুৰ্থ দিনা বাংলাদেশে দ্বিতীয় ইনিংছত ১৫৮ ৰানৰ পৰা খেল আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, কোৱাড ৰাষ্ট্ৰগোষ্ঠী স্বতন্ত্ৰ, মুক্ত আৰু সমৃদ্ধিশালী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰী মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডেলাৱেৰত অনুষ্ঠিত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি কয় যে, এই শীৰ্ষ সন্মিলন এনে এটা সময়ত অনুষ্ঠিত হৈছে যি সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘাত আৰু উত্তেজনাপূৰ্ণ পৰিস্থিতিয়ে বিৰাজ কৰিছে। এনে পৰিস্থিতিত কোৱাড ৰাষ্ট্ৰগোষ্ঠীয়ে গণতান্ত্ৰিক প্ৰমূল্যক গুৰুত্ব দি মানৱতাৰ হকে একেলগে কাম কৰি আছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, কোৱাড ৰাষ্ট্ৰগোষ্ঠী কাৰো বিৰোধী নহয় আৰু ই নিয়ম আধাৰিত আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা এটাক সমৰ্থন কৰাৰ লগতে সাৰ্বভৌমত্ব আৰু ভৌগোলিক অখণ্ডতাক সন্মান কৰি সকলো সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ পক্ষপাতি। তেওঁ কয় যে, মুক্ত, স্বতন্ত্ৰ আৰু সমৃদ্ধিশালী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ়ি তোলাটো কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ অগ্ৰাধিকাৰৰ বিষয়। প্ৰধানমন্ত্ৰীয়ে কয় যে, কোৱাড ৰাষ্ট্ৰসমূহে একেলগে স্বাস্থ্য, সুৰক্ষা, প্ৰযুক্তি, জলবায়ু পৰিৱৰ্তন আদি ক্ষেত্ৰত বিভিন্ন ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰী মোদীয়ে অহা বছৰ কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলন ভাৰতত আয়োজন কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। কোৱাড শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ডেলাৱেৰৰ নিজা বাসভৱনত মোদীৰ সন্মানাৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰে। এঘণ্টাজুৰি চলা এই বৈঠকত দুয়োগৰাকী নেতাই ভাৰত-আমেৰিকা ব্যাপক বিশ্ব কৌশলগত অংশীদাৰিত্বক অধিক দৃঢ় কৰাৰ বাবে নতুন পথৰ সন্ধান কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা প'ষ্টত প্ৰধানমন্ত্ৰীয়ে এই বৈঠকক ফলপ্ৰসূ বুলি মন্তব্য কৰাৰ লগতে ৰাষ্ট্ৰপতিগৰাকীৰ আতিথ্যৰ বাবে তেওঁ ধন্যবাদ জনায়। এই আলোচনাত পৰস্পৰ স্বাৰ্থজড়িত বিভিন্ন ক্ষেত্ৰত ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বিপাক্ষিক অংশীদাৰিত্বক অধিক দৃঢ় কৰাত

গুৰুত্ব আৰোপ কৰা হয়। দুয়োগৰাকী নেতাই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলকে ধৰি বিভিন্ন গোলকীয় আৰু আঞ্চলিক সমস্যা সম্পৰ্কে মত বিনিময় কৰে। আনহাতে সামাজিক মাধ্যমিকযোগে এটা পʼষ্টত শ্ৰী বাইডেনে কয় যে, ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক অতি নিবিড়, শক্তিশালী আৰু গতিশীল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিউয়ৰ্কত ভাৰতীয় মূলৰ লোকসকলক সম্বোধন কৰিব। তেওঁ লগতে আধুনিক প্ৰযুক্তিৰ ক্ষেত্ৰত উভয় দেশৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰধান উদ্যোগসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হʼব। প্ৰধানমন্ত্ৰীয়ে কাইলৈ নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ছামিট অব দ্য ফিউচাৰ** শীৰ্ষক সন্মিলন ভাষণ দিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে **উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান**। বিশ্বৰ বহুদেশৰ নেতাই এই শীৰ্ষ সন্মিলনত অংশ লোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীয়ে লগতে বিভিন্ন দেশৰ নেতাসকলৰ সৈতে পৰস্পৰ স্বাৰ্থজড়িত বিষয় লৈ দ্বিপাক্ষিক বৈঠকতো মিলিত হʼব। কালি ফিলাডেলফিয়া আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হোৱাৰ সময়ত ভাৰতীয় মূলৰ লোকসকলে শ্ৰীমোদীক অভিনন্দন জনায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ৰাষ্ট্ৰসমূহলৈ ৪০ নিযুত পালি প্ৰতিষেধক আগবঢ়াব। কোৱাড শীৰ্ষ সন্মিলনৰ সময়তে কৰ্কট ৰোগ নিয়ন্ত্ৰণৰ সৈতে জড়িত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে এইদৰে কয়। কৰ্কট ৰোগৰ চিনাক্তকৰণ, প্ৰতিৰোধ আৰু চিকিৎসাৰ ক্ষেত্ৰত উদ্ভাৱনী কৌশল  প্ৰয়োগৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ আয়োজন কৰাৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতিক ধন্যবাদ জনাই কয় যে, এই কাৰ্যসূচীয়ে ব্যয় সাধ্য, সুলভ আৰু মানসম্পন্ন স্বাস্থ্যসেৱা প্ৰদানৰ বাবে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ সংকল্পকে প্ৰতিফলিত কৰে। তেওঁ কয় যে, কʼভিড মহামাৰীৰ সময়ত কোৱাড ৰাষ্ট্ৰগোষ্ঠীয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দেশসমূহক প্ৰতিষেধকৰ যোগান ধৰিছিল আৰু কৰ্কট ৰোগৰ প্ৰত্যাহ্বানক একত্ৰিতভাৱে প্ৰতিৰোধ কৰাৰ বাবে বৰ্তমান এই ৰাষ্ট্ৰগোটে গ্ৰহণ কৰা সিদ্ধান্তক শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযূষ গোৱেলে কৈছে যে, প্ৰায় ৭ শতাংশ আনুমানিক বিকাশৰ হাৰেৰে ২০২৭ চনত ভাৰত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিত পৰিণত হোৱাৰ দিশে অগ্ৰসৰ হৈছে। কালি লাওছত পূব-এছিয়াদেশসমূহৰ বিত্ত মন্ত্ৰীসকলৰ দ্বাদশ সন্মিলনত অংশগ্ৰহণ কৰি গোৱেলে এইদৰে কয়। গোৱেলে এই মঞ্চক শক্তিশালী কৰাৰ ক্ষেত্ৰত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে আৰু শান্তি, স্থিৰতা আৰু অৰ্থনৈতিক সমৃদ্ধিৰ ক্ষেত্ৰত এই মঞ্চৰ ভূমিকাৰ শলাগ লয়। গোৱেলে লগতে বিশ্ব বাণিজ্য সংস্থাক মুক্ত, স্বচ্ছ আৰু অন্তৰ্ভুক্তিমূলক কৰাৰ উদ্দেশ্যে ইয়াৰ সংস্কাৰৰ ক্ষেত্ৰত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়েও উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে দেশখনত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ সৈতেও আলোচনাত মিলিত হয় আৰু উভয় দেশৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানক প্ৰশংসা কৰে।

ooooo

জম্মু-কাশ্মীৰ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অহা ২৫ ছেপ্তেম্বৰত অনুষ্ঠিত হʼব। এই পৰ্যায়ত ২৬ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হʼব।

ইপিনে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ নেতৃত্বত নিৰ্বাচন আয়োগৰ এটা দলে ঝাৰখণ্ডৰ এই বছৰতে হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা কৰিবলৈ কাইলৈৰ পৰা দুদিনীয়া ৰাঁচি ভ্ৰমণ কৰিব। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া কে ৰবি কুমাৰে কৈছে যে নিৰ্বাচনৰ আয়োগৰ দলটোৱে ৰাঁচিত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক সাক্ষাৎ কৰিব তেওঁলোকে মুখ্য নিৰ্বাচনী বিষয়া, ৰাজ্যিক আৰক্ষীৰ ন'ডেল বিষয়া আৰু কেন্দ্ৰীয় বাহিনীসমূহৰ সমন্বয়ক সাক্ষাৎ কৰি নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা চলাব। নিৰ্বাচনী আয়োগৰ দলটোৱে লগে জিলা নিৰ্বাচনী বিষয়া আৰু সকলো জিলাৰ আৰক্ষী অধীক্ষকসকলৰ লগতে মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰিব।

ooooo

লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে আমেৰিকাত ভাৰতৰ শিখ সকলক লৈ কৰা মন্তব্যৰ সন্দৰ্ভত দেশৰ বিভিন্ন প্ৰান্তৰ কেইবাটাও শিখ সংগঠন আৰু সমিতিয়ে কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ক কালি সাক্ষাৎ কৰে। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি বিজেপি নেতা মঞ্জিন্দৰ সিং ছিৰছাই এই কথা উল্লেখ কৰে । তেওঁ কয় যে ৰাহুল গান্ধীৰ এই মন্তব্যই শিখ সম্প্ৰদায়ৰ মাজত ভয়ৰ পৰিৱেশৰ সৃষ্টি কৰিছে। মঞ্জিন্দৰ সিঙে ৰাহুল গান্ধীক তেওঁৰ বক্তব্য প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাই কয় যে শিখ প্ৰতিনিধি দলটোৱে বক্তব্য প্ৰত্যাহাৰৰ দাবী উত্থাপন কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক সাক্ষাৎ কৰিছিল।

ooooo

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা ভাৰত বাংলাদেশৰ মাজৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত জয় নিশ্চিত কৰিবলৈ আজি খেলৰ চতুৰ্থ দিনা ভাৰতক আৰু ৬টা উইকেটৰ প্ৰয়োজন। আজি পুৱা চাৰে ন বজাত দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ হ'ব।

কালি খেলৰ তৃতীয় দিনাৰ খেল সমাপ্ত হোৱাৰ সময়লৈকে বাংলাদেশে ৩৭ অভাৰ ২টা বলত ৪টা উইকেট হেৰুৱাই ১৫৮ ৰান সংগ্ৰহ কৰিছিল।

বাংলাদেশৰ নাজমুল হোছেইন শান্তোৱে ৫১ ৰাণ আৰু ছাকিব আল হাছানে ৫ ৰাণ কৰি খেলি আছিল। কালি ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে ৩টা উইকেট দখল কৰাৰ বিপৰীতে যশপিট বুমৰাহে এটা উইকেট লাভ কৰে।

উল্লেখ্য খেলখনত ভাৰতে বাংলাদেশক জয়ৰ বাবে ৫১৫ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে দ্বিতীয় ইনিংছত ৪ উইকেট হেৰুৱাই ২৮৭ ৰান সংগ্ৰহ কৰাৰ পিছত কালি ইনিংছ সমাপ্তি ঘোষণা কৰিছিল।

ooooo

হাংগেৰীৰ বুডাপেষ্টত অনুষ্ঠিত হৈ থকা ডবা অলিম্পিয়াডৰ মুকলি শাখাত কালি ভাৰতে আমেৰিকাক পৰাস্ত কৰে। মুকলি শাখাত ভাৰতৰ গুকেশে বিশ্বৰ ২ নম্বৰ স্থানত থকা আমেৰিকান খেলুৱৈ ফেবিয়ানো কাৰুআনাক পৰাস্ত কৰাৰ বিপৰীতে অৰ্জুনে লেইনিয়াৰ ডমিংগেজ পেৰেজৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰে। অৱশ্যে ভাৰতৰ প্ৰাগনানন্দা ৱেছলী ছ'ৰ হাতত পৰাস্ত হোৱাৰ বিপৰীতে বিদিত গুজৰাথী আৰু লেভন আৰোনিয়ানৰ খেলখন ড্ৰ হয়। এই প্ৰদৰ্শনেৰে ভাৰতে দশম ৰাউণ্ডৰ অন্তত ১৯ পইণ্টেৰে প্ৰতিযোগিতাৰ শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হৈছে।

মহিলা শাখাত ভাৰতে চীনক পৰাস্ত কৰে। দিব্য দেশমুখে নি শিকুনক পৰাস্ত কৰাৰ বিপৰীতে বাকী তিনিওখন খেল অমিমাংসিত হৈ ৰয়।

আজি দুপৰীয়া ২বাজি ৩০ মিনিটৰ পৰা চূড়ান্ত ৰাউণ্ডৰ খেল আৰম্ভ হ'ব ।

০০০০০

সমাপ্ত